**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 26-05-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় এদিনীয়া ভ্ৰমণসূচীৰে আজি মধ্যপ্ৰদেশলৈ যাব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ দাহোডত প্ৰায় ২৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি আৰু আধাৰশিলা স্থাপন কৰিব।

৩। মালদীপৰ বৈদেশিক মন্ত্ৰী ড০ আব্দুল্লা খলিল তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হৈছে।

৪। ভাৰতে জাপানক অতিক্ৰম কৰি বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতিত পৰিণত হৈছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হোৱা এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে কলকাতা নাইট ৰাইডাৰ্ছক ১১০ ৰানত পৰাস্ত কৰে।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় এদিনীয়া ভ্ৰমণসূচীৰে আজি মধ্যপ্ৰদেশলৈ যাব। শ্ৰীধনখড়ে নৰসিংপুৰত আয়োজিত তিনিদিনীয়া কৃষি উদ্যোগ সমাগম মুকলি কৰিব। এই কৃষি উদ্যোগ সমাগমত মধ্য প্ৰদেশৰ ৰাজ্যপাল মংগুভাই পেটেল, মুখ্যমন্ত্ৰী ড০ মোহন যাদৱৰ লগতে ৰাজ্যখনৰ কেইবাগৰাকীও মন্ত্ৰী আৰু কৃষক সংগঠনৰ বিষয়াসকলেও অংশগ্ৰহণ কৰিব। ৰাজ্যখনত কৃষিভিত্তিক অৰ্থনীতিক মূল্য সংযোজন আৰু প্ৰসংস্কৰণৰ সৈতে সংযোগৰ জৰিয়তে বিনিয়োগ, উদ্ভাৱন আৰু নিয়োগৰ ন ন দুৱাৰ মুকলি কৰাই হৈছে এই সমাগমৰ উদ্দেশ্য।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ দাহোডত প্ৰায় ২৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি আৰু আধাৰশিলা স্থাপন কৰিব। দুদিনীয়া এই গুজৰাট ভ্ৰমণৰ সময়ত শ্ৰীমোদীয়ে দাহোডৰ বৈদ্যুতিক ৰে'ল ইঞ্জিন নিৰ্মাণ প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। আমাৰ সংবাদদাতাই জনোৱা মতে এই প্ৰকল্পৰ জৰিয়তে অহা ১১ বছৰত এহেজাৰ ২০০টা বৈদ্যুতিক মালবাহী ৰে'ল ইঞ্জিন নিৰ্মাণ কৰি উলিওৱা হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে ৯ হাজাৰ অশ্বক্ষমতা সম্পন্ন বৈদ্যুতিক ৰে'ল ইঞ্জিনো মুকলি কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে ভূজত ৫৩ হাজাৰ ৪০০ হাজাৰ কোটিৰে অধিক ব্যয় সাপেক্ষ আন কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০০

মালদীপৰ বৈদেশিক মন্ত্ৰী ড০ আব্দুল্লা খলিলে তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হৈছে। এয়া হৈছে মালদীপৰ বিদেশ মন্ত্ৰীগৰাকীৰ একেটা বছৰতে তৃতীয়টো ভাৰত ভ্ৰমণ। ইয়াৰ পূৰ্বে যোৱা জানুৱাৰী আৰু মাৰ্চত ভাৰতলৈ আহিছিল। ভাৰত আৰু মালদ্বীপৰ মাজত উচ্চ পৰ্যায়ৰ কূটনৈতিক আদান-প্ৰদান শক্তিশালী কৰাৰ উদ্দেশ্যে এই ভ্ৰমণ অব্যাহত আছে। কাইলৈ ড০ খলিলে মালদীপৰ নেতৃত্বত ব্যাপক অৰ্থনৈতিক আৰু সামুদ্ৰিক সুৰক্ষা অংশীদাৰিত্ব বিষয়ক ভিজন ডকুমেণ্টৰ ৰূপায়ণৰ অগ্ৰগতি সন্দৰ্ভত

ভাৰত-মালদীপৰ মাজৰ দ্বিতীয়খন উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে যোৱা বছৰৰ অক্টোবৰত মালদীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৰ ভাৰত ভ্ৰমণৰ সময়ত দুয়োখন দেশৰ নেতৃত্বত এই ভিজন ডকুমেণ্ট প্ৰস্তুত কৰি উলিওৱা হৈছিল। এই ভ্ৰমণৰ সময়ত ড০ খলিলে ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ জয়শংকৰৰ সৈতেও দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

০০০০০

পাকিস্তানৰ সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ দিবলৈ ভাৰতে নতুন দৃষ্টিভংগী গ্ৰহণ কৰিছে আৰু এনেধৰণৰ ঘৃণনীয় কাৰ্যকলাপত জড়িত থকা সকলক কোনো কাৰণতে ৰেহাই দিয়া নহ'ব বুলি কংগ্ৰেছ সাংসদ শশী থাৰুৰে মন্তব্য কৰিছে। পাকিস্তানৰ কোনো সন্ত্ৰাসবাদীয়ে সীমান্ত পাৰ হৈ আমাৰ দেশৰ জনসাধাৰণক নিৰ্বিচাৰে হত্যা কৰাৰ কথা চিন্তাও কৰিব নোৱাৰিব বুলি তেওঁ সকীয়াই দিয়ে। তেওঁ কয়, যে সন্ত্ৰাসবাদীসকলে এনে আক্ৰমণৰ সঠিক মূল্য ভৰিব লাগিব। আমেৰিকাৰ নিউয়ৰ্কত কালি এটা অনুষ্ঠানত শ্ৰীথাৰুৰে এই বুলি মন্তব্য কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা নীতিৰ বিষয়ে স্থিতি স্পষ্ট কৰাৰ বাবে বহুদলীয় প্ৰতিনিধি দলসমূহে গ্ৰহণ কৰা প্ৰচেষ্টাৰ শলাগ লয়। সামাজিক মাধ্যমৰ এটা পোষ্টত ড০ জয়শংকৰে কয়, যে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা ঘোষণা কৰাৰ বাবে ভাৰত ঐক্যবদ্ধভাৱে থিয় দি আছে।

বিজেপিৰ সাংসদ বৈজয়ন্ত পাণ্ডা নেতৃত্বাধীন বহুদলীয় প্ৰতিনিধি দলটোৱে কালি বাহৰেইনৰ উপ-প্ৰধানমন্ত্ৰী শ্বেখ খালিদ বিন অব্দুল্লা অল খালিফাক সাক্ষাৎ কৰি ভাৰতে সন্মুখীন হৈ অহা সীমান্তৰ সিপাৰৰ পৰা সন্ত্ৰাসবাদী আক্ৰমণ তথা এই আক্ৰমণ প্ৰতিহত কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা কঠোৰ স্থিতিৰ বিষয়ে তেওঁক অৱগত কৰে।

ইপিনে এন চি পিৰ সাংসদ সুপ্ৰিয়া ছুলে নেতৃত্বাধীন আন এটা বহুদলীয় প্ৰতিনিধিৰ দলে কালি কাটাৰৰ আগশাৰীৰ সংবাদ পত্ৰসমূহৰ সম্পাদকৰ দলৰ সৈতে মত বিনিময় কৰে। এই মত বিনিময়ৰ সময়ত প্ৰতিনিধিসকলে পেহেলগাম আক্ৰমণৰ পাছত সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদৰ প্ৰতি ভাৰতৰ দৃষ্টিভংগীৰ বিষয়ে অৱগত কৰে। দলটোৱে লগতে গোলকীয় বিষয় সন্দৰ্ভত মধ্যপ্ৰাচ্য পৰিষদৰ সৈতেও আলোচনাত মিলিত হৈ সন্ত্ৰাসবাদৰ প্ৰতি ভাৰতৰ শূন্য সহনশীলতাৰ স্থিতিৰ বিষয়ে আলোচনা কৰে।

কালি আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে অপাৰেচন সিন্দূৰ কেৱল এটা সামৰিক অভিযানেই নহয় বৰং ই হৈছে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ সাহস, শক্তি তথা সংকল্পৰ প্ৰতীক। শ্ৰীমোদীয়ে অপাৰেচন সিন্দূৰৰ সময়ত দেশৰ সশস্ত্ৰ বাহিনীয়ে প্ৰদৰ্শন কৰা সাহস তথা বীৰত্বৰ শলাগ লয়।

০০০০০

ভাৰতে জাপানক অতিক্ৰম কৰি বিশ্বৰ চতুথ

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত **অগ্নি সুৰক্ষা সুনিশ্চিত কৰা ঃ জীৱন আৰু  সম্পত্তিৰ সুৰক্ষা** সন্দৰ্ভত দিল্লী অগ্নিসেৱাৰ সঞ্চালক অতুল গাৰ্গ আৰু অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ অগ্নিসেৱা বিভাগৰ সঞ্চালকপ্ৰধান প্ৰশান্ত লংকাৰৰ সৈতে হোৱা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি চিকিৎসককেইগৰাকীক বিষয়টো সন্দৰ্ভত

প্ৰশ্ন সুধিব পাৰিব। আগ্ৰহীসকলে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হোৱা এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে কলকাতা নাইট ৰাইডাৰ্ছক ১১০ ৰানত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে নিৰ্ধাৰণ কৰি দিয়া ২৭৯ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা কলকাতাৰ দলটোৱে নিৰ্ধাৰিত অভাৰত শেষ হ'বলৈ ৮টা বল বাকী থকা অৱস্থাত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১৬৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। কলকাতা নাইট ৰাইডাৰ্ছৰ হৈ মনীষ পাণ্ডেই সৰ্বাধিক ৩৭ ৰান কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ জয়দেব উনাদকাট, এশ্বান মালিংগা আৰু হৰ্ষ ডুবেই তিনিটাকৈ উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত তিনি উইকেটৰ বিনিময়ত ২৭৮ ৰান কৰে। দলৰ হৈ হেনৰিক ক্লাছেনে সৰ্বাধিক ১০৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ট্ৰেভিছ হেডেও ৭৬ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতা নাইট ৰাইডাৰ্ছৰ হৈ সুনীল নাৰায়ণে দুটা উইকেট লাভ কৰে। হেনৰিক ক্লাছেনক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

কালি অনুষ্ঠিত আন এখন খেলত চেন্নাই ছুপাৰ কিংছে গুজৰাট টাইটানছক ৮৩ ৰানত পৰাস্ত কৰে। খেলখনত চেন্নাইৰ দলটোৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২৩০ ৰান কৰে। ইয়াৰ প্ৰত্যুত্তৰত গুজৰাট টাইটানছে ১৮ অভাৰ আৰু ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৭ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত পাঞ্জাব কিংছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ভাৰতৰ বক্সাৰ পৱন বাৰ্তৱালে চতুৰ্থ থাইলেণ্ড অ'পেন আন্তঃৰাষ্ট্ৰীয় বক্সিং টুৰ্ণামেণ্টৰ ৫৫ কেজি শিতানৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে । খেলুৱৈগৰাকীয়ে কালি বেংককত কাম্ব'ডিয়াৰ ছাঅ' ৰাংছেক ৫-০ৰ ব্যৱধানত পৰাস্ত কৰে । ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপৰ ৰূপৰ পদকজয়ী পৱনে কালি দুৰ্দান্ত প্ৰদৰ্শনেৰে প্ৰতিপক্ষক দিশহাৰা কৰি তোলে। প্ৰতিযোগিতাত এয়া আছিল খেলুৱৈগৰাকীৰ ক্ৰমাগত দ্বিতীয় জয়। চীন, কাজাখাস্তান, উজবেকিস্তান, দক্ষিণ কোৰিয়া আৰু থাইলেণ্ডৰ শ্ৰেষ্ঠ বক্সাৰসকলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতালৈ ভাৰতে ১৯জনীয়া এটি দল প্ৰেৰণ কৰিছে।

০০০০০

সমাপ্ত